# ভাৰীগান আৰু কুশানগানৰ তুলনামূলক অধ্যয়ন

মৌচুমী ৰাভা
অদিতি ৰায়
স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাৰ্থী, বিকালী কলেজ

. লোক পৰিৱেশ্য কলাৰ অন্যতম উপাদন লোকনাট্যসমূহৰ ভিতৰত 'ভাৰীগান' আৰু 'কুশানগান' বিশেষভাৱে পৰিচিত লোকনাট্যানুষ্ঠান। অসমৰ ঘাইকৈ অবিভক্ত গোৱালপাৰা জিলাত অতীজৰে পৰা এই দুই লোকনাট্যানুষ্ঠানৰ চৰ্চা আৰু পৰিৱেশন হোৱা দেখা যায়।

'ভাৰীগান' কামৰূপ আৰু বিশেষকৈ দক্ষিণ গোৱালপাৰাৰ এটি উল্লেখযোগ্য নাট্যানুষ্ঠান। ভাৰীগানৰ বিষয়বস্তু সাধাৰণতে ৰামায়ণ আৰু মহাভাৰতৰ পৰা গ্ৰহণ কৰা হয়। 'ভাৰী' শব্দৰ অৰ্থ পুৰণি অসমীয়া আৰু পুৰণি বঙলাত 'ওজন বেছি'। ইয়াত কঁঠাল, আম, গমৰি আদি কাঠেৰে নিৰ্মিত মুখাৰ ব্যৱহাৰ কৰে। এই নাট্যানুষ্ঠানৰ অভিনয়ত কমেও ২০/২৫ জন ভাৰৰীয়াৰ প্ৰয়োজন। ভাৰীগানৰ মুখিয়ালজনক 'মূল' বা 'ওজা' বোলা হয়। তদুপৰি পালি, ভাৰৰীয়া, খোল-তাল বাদক আদি বিভিন্ন চৰিত্ৰ 'ভাৰীগান'ত আছে।

'কুশানগান' সম্প্ৰতি ধুবুৰী জিলাৰ বিভিন্ন অঞ্চল আৰু পশ্চিমবংগৰ কোচবিহাৰ জিলাত প্ৰচলিত অতিকৈ জনপ্ৰিয় নাট্যানুষ্ঠান। কুশানগানৰ কাহিনী ৰামায়ণ আৰু মহাভাৰতৰ পৰা আহৰণ কৰা হয় যদিও ৰামায়ণৰ আখ্যানেই ইয়াত অধিক পৰিমাণে প্ৰচলিত হোৱা দেখা যায়। 'কুশান' পদটো ৰামচন্দ্ৰৰ পুত্ৰ 'কুশৰ' পৰা আহিছে। 'গান' পদটোৰ অৰ্থ 'গীত'। 'কুশানগান'ৰ একেটা দলত ১৫/১৬ গৰাকী শিল্পী থাকে। দলটোৰ মুখিয়াল গৰাকীক 'মূল' অথবা 'গীদাল' বোলে। দলটোৰ আন শিল্পীসকলৰ ভিতৰত আছে এজন 'দোৱাৰী' বা 'দোহাৰী', দুজনমান 'বাইন' (বায়ন), কেইজনমান নৰ্তকীবেশী 'ল'ৰা' থলুৱা ভাষাত যাক 'ছেংড়া' বোলে।

ভাৰীগান আৰু কুশান গানৰ তুলনামূলক আলোচনাৰ ক্ষেত্ৰত দুয়োটা নাট্যানুষ্ঠানৰ সাদৃশ্য আৰু বৈসাদৃশ্য বিচাৰ কৰা হৈছে। সাদ্যশ্যসমূহৰ ভিতৰত ঘাইকৈ— নাটৰ বিষয়বস্তুৰ সাদৃশ্য, নাট প্ৰদৰ্শন, দল গঠন আৰু সংৰচনা, চৰিত্ৰ, পৰিৱেশন ৰীতি ইত্যাদি বিষয়ৰ ওপৰত আলোচনা কৰিব পাৰি। 'ভাৰীগান' আৰু 'কুশান গান'ৰ তুলনামূলক আলোচনাৰ ক্ষেত্ৰত সাদৃশ্যৰ বিপৰীতে বৈসাদৃশ্যসমূহ হ'ল—'ভাৰীগান'ৰ অভিনয়ত মুখা অপৰিহাৰ্য অংগ। আনহাতে 'কুশানগান'ত মুখাৰ ব্যৱহাৰ নাই। 'ভাৰীগান'ত বেনা অথবা দোতৰাৰ পৰিৱৰ্তে এডাল 'চোঁৰৰ' ব্যৱহাৰ কৰা হয়। আনহাতে 'কুশানগান'ত বেনা নামৰ বাদ্য যন্ত্ৰ ব্যৱহাৰ কৰা হয়।

এই গৱেষণা পত্ৰখন যুগুত কৰোঁতে মুখ্য

আৰু গৌণ উৎসৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে। মুখ্য উৎসৰ ভিতৰত ভাৰীগান আৰু কুশান গানৰ দলপতি আৰু অন্যান্য কলা-কুশলীসকলৰ পৰা মৌখিক সাক্ষাৎকাৰ গ্ৰহণ কৰি তথ্য সংগ্ৰহ কৰা হৈছে। গৌণ উৎসৰ ভিতৰত ৰচিত গ্ৰন্থ, আলোচনী, স্মৃতিগ্ৰন্থ আদিত প্ৰকাশিত তথ্যৰ পৰা সংগ্ৰহ কৰা হৈছে।

শেষত মুখ্য আৰু গৌণ উৎসৰ পৰা সংগ্ৰহ কৰা তথ্যসমূহ বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগ কৰি গৱেষণা পত্ৰখন যুগুত কৰাৰ প্ৰয়াস কৰা হ'ব।●●●●

# ভাৰীগান আৰু খুলীয়া ভাউৰীয়াৰ পৰম্পৰা আৰু পৰিৱৰ্তন ঃ এক সম্যক আলোচনা

শ্ৰী অংকুৰ জ্যোতি তালুকদাৰ
শ্ৰী নাৰায়ণ সূত্ৰধৰ
ছাত্ৰ, কটন কলেজ
গৱেষক ছাত্ৰ, গুৱাহাটী বিশ্ববিদ্যালয়

বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনতীৰ্থ অসম বিচিত্ৰ কলা-সংস্কৃতিৰ উৎসস্থল। অসমৰ লোকসমাজৰ মাজত প্ৰচলিত আৰু সমাদৃত দৃশ্য-শ্ৰব্য গুণ বিশিষ্ট নাট্যধৰ্মী অনুষ্ঠানবোৰে অসমীয়া লোক-সংস্কৃতিক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। তেনে নাট্য গুণবিশিষ্ট লোক পৰম্পৰাবাহী পৰিৱেশ্য কলা হৈছে দৰং আৰু কামৰূপ জিলাৰ অঞ্চলবিশেষে প্ৰচলিত 'খুলীয়া ভাউৰীয়া' আৰু গোৱালপাৰা জিলাৰ লগতে দক্ষিণ কামৰূপ আৰু অসম-মেঘালয় সীমান্তৱৰ্তী এলেকাত চৰ্চিত 'ভাৰীগান'। দুয়োবিধ লোকনাট্যধৰ্মী অনুষ্ঠানৰ পৰিৱেশন শৈলী, ব্যৱহৃত বাদ্যযন্ত্ৰ, বিষয়বস্তু, দলগঠন, ৰসৰ ব্যৱহাৰ ইত্যাদি দিশত সাদৃশ্য পৰিলক্ষিত হ'লেও উভয়বিধৰ মাজত বৈসাদৃশ্যও নথকা নহয়। তদুপৰি উভয়বিধ লোকনাট্যধৰ্মী অনুষ্ঠানৰ ক্ষেত্ৰতেই সময়ৰ অগ্ৰগতিৰ লগে লগে ঘটা পৰিৱৰ্তনৰ দৃশ্য দৃষ্টিগোচৰ হয়।

আমাৰ প্ৰস্তাৱিত গৱেষণা-পত্ৰখনত 'ভাৰীগান' আৰু 'খুলীয়া ভাউৰীয়া' নামৰ নামনি অসমত প্ৰচলিত আৰু সমাদৃত লোকনাট্যানুষ্ঠান দুবিধৰ উৎপত্তি, নামকৰণৰ তাৎপৰ্য, পৰম্পৰাগত আৰু পৰিৱৰ্তিত ৰূপৰ বিষয়ে সংক্ষিপ্তভাৱে উল্লেখ কৰা হ'ব। বিষয়বস্তু আলোচনা প্ৰসংগত মুখ্য আৰু গৌণ উভয় প্ৰকাৰৰ উৎসৰ পৰা তথ্য সংগ্ৰহ কৰি বৰ্ণনাত্মক দৃষ্টিভংগীৰ লগতে কিছু পৰিমাণে তুলনামূলক পদ্ধতিৰ আধাৰত সেইবোৰ গৱেষণা পত্ৰযোগে উপস্থাপন কৰা হ'ব। লগতে পাদটীকা আৰু সহায়ক গ্ৰন্থপঞ্জীৰ বিষয়েও যথাস্থানত উল্লেখ কৰা হ'ব।●●●●

# গোৱালপাৰা জিলাৰ পাতি ৰাভা সমাজৰ ভাৰী গান ঃ এটি চমু আলোচনা

**বুদ্ধিৰাজ বড়ো**
সহযোগী অধ্যাপক, বড়ো বিভাগ
**দীলিপ হাজৰিকা**
সহযোগী অধ্যাপক, ইংৰাজী বিভাগ
দুধনৈ মহাবিদ্যালয়

ভাৰীগান অসমৰ দক্ষিণ কামৰূপ আৰু গোৱালপাৰা পূৰ্বী অঞ্চলত অধ্যুষিত বিশেষকৈ পাতি ৰাভা সকলৰ মাজত প্ৰচলিত এটি জনপ্ৰিয় লোকনাট্যানুষ্ঠান। ভাৰীগান, ৰামায়ণ, মহাভাৰত আৰু পুৰাণ কাহিনীৰ প্ৰভাৱিত লোকনাট্য। ভাৰীগান সাধাৰণতে ধৰ্মীয় উৎসৱত নৈতিকভাৱে পৰিৱেশন কৰা দেখা যায় আৰু ইয়াত বিশেষকৈ হোলী গীত আৰু কীৰ্ত্তন গীতৰ সুৰৰ সৈতে মিল দেখা যায়। ভাৰীগানৰ এটা অন্যতম বৈশিষ্ট্য হ'ল- স্ত্ৰী বৰ্জিত । লোকনাট্যৰ নাৰী চৰিত্ৰ সমূহৰ ৰূপসমূহ পুৰুষৰ দ্বাৰাহে কৰা হয়। সেয়েহে ইয়াত মুখাৰ প্ৰচলন হোৱা দেখা যায় আৰু নাটৰ বিভিন্ন চৰিত্ৰসমূহ ভিন ভিন মুখা পিন্ধি ভাৱৰীয়া সকলে অভিনয় কৰে। ভাৱৰীয়া সকলে ব্যৱহাৰ কৰা মুখাবোৰ শাল আৰু গমাৰী কাঠেৰে নিৰ্মিত। ইয়াত বৰতাল, খাম, চংৰা আৰু ডাণ্ডৰ ঢোল বাদ্যযন্ত্ৰ হিচাপে ব্যৱহাৰ হয়। এই নাটত বিশেষকৈ বনৰীয়া জীৱ-জন্তুৰ সংলাপ প্ৰদৰ্শন, চাৰ্কাচ প্ৰদৰ্শন কৰা হয়। ভাৰীগানত ৰাময়ণৰ 'ৰাৱণ বধ' আৰু মহাভাৰতৰ 'ঘটোৎকচ বধ' আদি প্ৰদৰ্শন কৰা হয়। পৰম্পৰাগতভাৱে এই ভাৰীগান গোৱালপাৰাৰ কিছুমান অঞ্চলত প্ৰচলিত হৈ আহিছে আৰু আজিও চলি থকা দেখা যায়। এই চমু আলোচনাত গোৱালপাৰাৰ কিছুমান অঞ্চলত ভাৰীগানৰ প্ৰচলন যে আজিও হৈ আছে তাৰ বিষয়ে দাঙি ধৰা হ'ব। অঞ্চলসমূহ হল- খামাৰী, মানিকগঞ্জ, চিতুকোনা, ছোটমাটিয়া আৰু বায়দা আদি অঞ্চল।

••••

# পৰিৱেশ্য কলা ভাৰীগানৰ ঐতিহ্য আৰু পৰিৱৰ্তন

**স্নিগ্ধা কটকী**
গৱেষক, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয

মানৱ জীৱন বিভিন্ন ক্ৰিয়া-কাণ্ডৰ সন্মিলিত ৰূপ মাথোন। আদিম অৱস্থাৰ পৰা বিৱৰ্তন প্ৰক্ৰিয়াৰে আজিৰ অৱস্থা লাভ কৰিবলৈ কৰা প্ৰচেষ্টাৰ অন্তৰালত বিভন্ন ঐন্দ্ৰজালিক কৰ্মকাণ্ড নিহিত হৈ আছে। ঐন্দ্ৰজালিক কৰ্মকাণ্ডৰ ভেটিতেই লোকবিশ্বাস, লোকাচাৰ, লোক উৎসৱ-অনুষ্ঠানবোৰ আপুনা-আপুনি গঢ় লৈ উঠিল। প্ৰকৃতিৰ সৈতে একাত্ম অনুভৱ কৰা মানৱ জাতিয়ে জীৱনৰ প্ৰত্যেক ক্ষেত্ৰতে প্ৰকৃতিকেই অনুসৰণ কৰিছিল। কৃষি কৰ্ম কৰি স্থায়ীভাৱে বসতি আৰম্ভ কৰিবলৈ লওঁতেই আনন্দ বিনোদনৰ কাৰণে প্ৰকৃতিৰ চৰাই-চিৰিকটিৰ দৰে ঠেও দি জঁপিয়াই, জন্তুৰ দৰে গোজৰি ভিন্ন অংগী-ভংগীৰে নাচ নাচিবলৈ ল'লে, গাবলৈ ল'লে। সভ্যতাৰ খোজ পেলাই মানুহে জনপ্ৰিয় পুৰাকথা, কাহিনী আদি নিত্যে নতুনভাৱে নিজৰ নাচৰ গীত আকাৰে সেইবোৰক অংঙ্গাগী কৰি পেলালে।

কথকতা পৰম্পৰাৰ ভিত্তিত চলি অহা গীত, নাচ, অভিনয়ৰ সন্মিলিত ৰূপ থকা অন্যতম পৰিৱেশ্য কলা হ'ল — ভাৰীগান। ভাৰীগানৰ 'গান' শব্দই কেৱল গীতৰ কথা নকৈ নাচ, অভিনয়, বাদ্যবাদক আদি সকলোবোৰ দিশ সামৰি লৈছে। ভাৰীগান মূলতঃ দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলাৰ পশ্চিম প্ৰান্তত বিশেষকৈ পৰিৱেশন কৰা দেখা যায়। অসম-মেঘালয়ৰ সীমামূৰীয়া ঠাইতো এই ভাৰীগান দেখা যায়। ভাৰীগান পাতিৰাভা জনগোষ্ঠীৰ পৰিৱেশ্য কলা বুলি কোৱা হয়। কিন্তু বৰ্তমান অন্যান্য জনগোষ্ঠীৰ লোকেও ইয়াক গ্ৰহণ কৰি পৰিৱেশন কৰা দেখা গৈছে। ৰামায়ণ, মহাভাৰতৰ কাহিনী (বিশেষকৈ যুদ্ধকেন্দ্ৰিক) ভাৰীগানত পৰিৱেশন কৰা হয়। কাঠৰ গধুৰ গধুৰ মুখা ব্যৱহাৰ এই কলাৰ অন্যতম বিশেষত্ব। এই গধুৰ বা ভাৰী শব্দৰ লগত পৰিৱেশ্য কলাবিধৰ নামকৰণৰ তাৎপৰ্য নিহিত হৈ আছে। গোলকীকৰণৰ যুগত আজিৰ মানুহে আগবাঢ়ি যাওঁতে কোনোবাখিনিত ভাৰীগান পিছপৰি ৰৈছে বা অপ্ৰয়োজনীয় যেন হৈ পৰিছে। আকৌ সীমিত পৰিৱৰ্তনে ভাৰীগানক মূলৰ লগত বা পূৰ্বৰ সৈতে একে কৰি ৰাখিছে যদিও যুগসাপেক্ষ নোহোৱাৰ বাবেও ই লুপ্তপ্ৰায় হোৱা দেখা গৈছে।

উক্ত গৱেষণা পত্ৰখনত ভাৰীগানৰ ঐতিহ্য আৰু পৰিৱৰ্তন সম্পৰ্কে বিস্তৃত আলোচনা আগবঢ়াবলৈ সযত্ন প্ৰয়াস কৰা হ'ব। গৱেষণা পত্ৰখন বিশ্লেষণাত্মক পদ্ধতিৰে আলোচনা কৰা হ'ব। গ্ৰন্থ অধ্যয়নৰ বাবে বিভিন্ন পুথিভঁৰালৰ গ্ৰন্থৰ উপৰি উক্ত বিষয় সম্পৰ্কে পূৰ্বে কাকত-আলোচনীত প্ৰকাশিত প্ৰবন্ধ-পাতিৰ সহায় লোৱা হ'ব।

# BHARIGAAN : ITS ORIGIN AND DEVELOPMENT IN ASSAM

**Dr. M.Gopal Singha**
Associate Professor
Bikali College, Dhupdhara

Bharigaan is an unique folk-theatre quite associated with social folk customs and rituals. It is an attractive folk-theatre prevalent in lower part of Assam especially in Goalpara and Kamrup district and the adjoining border areas of East Garo Hills of Meghalya. The Bharigaan as a performing art form had its rich tradition among the rural masses of this part of the country since the Pre-Sankardeva era. It may be noted that the Indian sub-continent along with the South and South East Asian countries had great tradition of folk literature and culture. The influence of the great Indian epics like Ramayana, Mahabharata and Puran had their far reaching impact on the shaping of folk-theatre. Such sphere of influence had no exception to the folk life of the people inhabiting in different parts of Assam. These were expressed through various medium of folk traditions like Indian myths, legends, dances, songs, traditional beliefs, folk-dramas, folk-tales and folk-sayings (lokokatha),etc. Of these, 'Ram-katha tradition'( traditional narratives of Ramayana) had a very glaring impact on the genesis of Bharigaan as a folk –theatre. Bhargaan, therefore, may also be termed as 'Yatra' ( folk-drama) or Sanskrit Nat. Sankardeva , the great saint who had the credit of first playwrights in Assamese was also said to use the word Nat, Natak and Yatra indifferently to depict drama (Bhattacharyya,1964). In the present study an attempt has been made to assess the origin and development of Bhargaan as a traditional, albeit a popular folk-medium of religious as well as traditional beliefs widely prevalent in certain parts of Assam, Meghalaya and Bengal. The study would be based on certain methodologies and research questions, wherein primary data related to oral traditions, folk-beliefs, folk-tales associated with Bharigaan are supposed to employ. The research work is designed to assess the probable sources of the origin of such a great tradition. Besides, study will concentrate on the nomenclature –'Bharigaan' and area specific variations in the way of development of Bharigaan as a folk-theatre.••••

# Socio-cultural Impact of Puppetry on Assam

**Binita Devi**

*(Junior Fellowship Award, Ministry of Culture, India)*

**Simanta Sarma**

*(HOD & Asstt. Professor, Deptt of Computer Science, SBMS College, Sualkuchi)*

Assamis a home of folk culture. Assam have various form of folk culture which have been used from the ancient times to till today includes different combination of dance, drama, song, mime, puppetry, storytelling etc. those folk culture always provides moral, religious and social message, folk forms are based on religion community, cast, culture and language. There are significant regional differences in the style of presentation, crafting of puppets manipulation technique. The earliest reference to puppetry in India is in the epic Mahabhatata's Jana Parba and Udyog Parba. According to Katha-guru-charitra (early 18th century), puppetrywas a popular and influential art form at the time Sankardeva was born. First, there is a direct reference to a shadow puppet show, performed at the residence of Sankardeva's father (Kusumber Bhuya) on the 22nd day of the saint's birth. Sri Sankardeva evolve Bhaowna, the Traditional theatre of Assam by fusing elements from the Sanskrit theatre and prevent performance forms which included puppetry so it can be said that puppetry theatre was a popularpreSankara performing art form.

Puppet dance is one of the ancient resources of Assam. Puppet shows once used to be a very popular entertainment medium in all over the world. Besides entertainment, puppetry serve as an applied art, conveying meaningful messages of all art forms. The show focuses on educating children through moral and historical stories enacted out puppets. Puppetry can communicate to people through drawing movement and mime, creative writing, creative speech, dialogue delivers, voice modulation etc.••••

# Folk Media as a Method of Message for Societal Advancement in Assam, India

**Guptajit Pathak**
Assistant Professor, Department of History
Kanya Mahavidyalaya, Geetanagar, Guwahati-21
Ph. D. Research Scholar, Department of Women's Studies
Magadh University, Boodh Gaya, Bihar, India
**Rupak Das**
Assistant Professor, Department of History
Rampur Anchalik College, Rampur-781132, Kamrup Assam
&Ph. D. Research Scholar, Department of History
Dr. B. R. Ambedkar Bihar University, Muzaffarpur, Bihar, India

Folk media carry out as a pivotal cause of amusement and medium within the society to which it is meant. This research paper highlights the significance of folk media as a mode of communication for societal advancement with focus to the utilization of a number of vital folk media in Assam, India similar to Bihu songs, Zikir songs and Dakor boson. Bihu songs are the well-liked songs of Assam, sung in the spring time and are correlated to agriculture, nature, culture, geography, romance, etc. Zikir, are the dedicational songs occupied with philosophy. Folk sayings Dakor boson indicates to speech communication and focuses the societal affiliation and the each day practices of the people of Assam. The paper has made an effort to emphasize these folk media for developing them as a medium of communal enlargement in the rural areas of Assam.

**Statement of the Problem:**

The study of folk media in rural areas is a rare subject of study. A folk medium have its important aspect and is a medium of social development in the rural areas of Assam.

**Aims and Objectives:**

1. To glorify Folk Media as a Method of Message for Societal Advancement in Assam, India.
2. To explore folk media how it is an expression of the feelings of the community.

**Research Methodology:**

The study is stands on both Primary and Secondary data.

**Key Words:**
Folk media, societal advancement, Bihu songs, Zikir songs, Dakor boson.••••

# FOLK THEATERE OF THE BODOS : A STUDY

**Mamani Daimary**
Dudhnoi College, Dudhnoi

The Bodos are the earliest inhabitant of Assam. They scattered not only Assam, but of whole North-East India. The Bodos are Mongoloid stock. Linguistically they are Sino-Tibetan. The Bodos are rich in their folk culture. The Bodos have their traditional folk theatre named "Khemtha' and "Thaukhri Falla' which is performed in festival and ceremony and entertained the public. After the 18th century Umesh Chandra Muchahary written out the folk theatre named as "Gandhamar Falla" which is the first theatre of the Bodos performed in stage with traditional musical instrument of the Bodos. In this paper an attempt has been made to study the status of folk theatre of the Bodos.••••

# SOCIAL FUNCTION OF ' EKTHENGIA': A SEMI-DRAMATIC PERFORMANCE IN BORO

**Lakshmi Basumatary**
**Tarun Narzary**
**Raje Brahma**

From a folkloristic view point it is observed that the EKTHENGIA is no doubt a folk drama having texture of semi-dramatic. This kind of performance is comparable and closely related to the performance of Bhari-Gan as extant in the Rabha society. Both the performance is based on storytelling adapted from either historical or legendary based. In the Ekthengia performance there is only one performer who acts from various angles to entertain the audiences in different contexts. To support the sole actor there is a band of folk artists comprising the musical instruments like Cymbal, Harmonium, Flute, Serja etc. A singer is also necessary to make the performance entertaining and interesting one. The peculiar dramatic performance has a long folk-tradition that flourished since remote past extant in the Boro society. Of course some sort of adaptation and influence from Bengali Jatra Gan are found in the preparation of performance. These points will be taken into account in this paper.
Keywords: Semi-dramatic, storytelling, adaptation, sole actor, folk-tradition. ••••

# A preliminary appraisal of two folk plays of Goalpara region: Bhaarigaan and Kusangan

**HaripriyaSarma**
**Utpala Das**
PhD Research scholar
Gauhatiuniversity

Folk performances and folk plays are products of interplay between lifeways and social ambit of rural societies. Most of them are expression of religious beliefs enshrined in epic taller of Ramayana and Mahabharata often shaped and framed according to the worldview of simple folk societies. Bhaarigaan and Kusangan are such two folk plays based on the tales of Ramayana performed among the rural societies of Goalpara District of Assam. Bhaarigaan and Kusangan are open air theatre with music, dance and otheringredients of folk drama. Both the plays are performed corresponding to the local practices and besides the tales of Ramayana ballads of Sattire, fun and love are noticed. Both the plays have specific instances of magical beliefs loves associated with them.

The present paper seeks to discuss the two folk ways of Goalpara of Assam in the backdrop of the folk societies which have kept these practices alive.••••

# কাৰ্যক্ৰমণিকা

**১৫ ভাদ, ১৪২২ ভাস্কৰাব্দ (২ ছেপ্টেম্বৰ, ২০১৫ খ্ৰীঃ), বুধবাৰ**

| | | | | |
|---|---|---|---|---|
| পুৱা | ৮-৪৫ | বজা | : | অসম সাহিত্য সভাৰ পতাকা উত্তোলন |
| | | উত্তোলক | : | ফণী দাস, সভাপতি, গোৱালপাৰা জিলা সাহিত্য সভা |
| | ৯-০০ | বজা | : | স্মৃতি তৰ্পণ |
| | | মুখ্য তৰ্পক | : | যোগনাৰায়ণ পাঠক, সভাপতি, বিকালী মহাবিদ্যালয় বাণিজ্য শাখা পৰিচালনা সমিতি |
| | ১০-০০ | বজা | : | কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠান |
| | | উদ্বোধক | : | সদস্য মহীয়ান ড° নবীন চন্দ্ৰ শৰ্মা, বিশিষ্ট গৱেষক |
| | | সভাপতি | : | কুমাৰ দীপক দাস, কাৰ্যকৰী সভাপতি, সাংস্কৃতিক উপ-সমিতি, অসম সাহিত্য সভা |
| | | মুখ্য অতিথি | : | দুলাল ৰয়, সভাপতি, অসম নাট্য সন্মিলন |
| | | বিশিষ্ট অতিথি | : | জীৱন ৰাভা, কাৰ্যবাহী সদস্য, সাংস্কৃতিক বিভাগ, ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদ |
| | | পৰ্যবেক্ষক | : | জ্ঞানশংকৰ খাখলাৰী, সভাপতি, ৰূপজ্যোতি শাখা সাহিত্য সভা, ধূপধৰা |
| | | | | ড° অনন্যা বৰুৱা, উপাধ্যক্ষা, বিকালী মহাবিদ্যালয় |
| | ১১-০০ বজা | | : | ভাৱীগান প্ৰদৰ্শন |

**১৬ ভাদ, ১৪২২ ভাস্কৰাব্দ (৩ ছেপ্টেম্বৰ, ২০১৫ খ্ৰীঃ),বৃহস্পতিবাৰ**

| | | | | |
|---|---|---|---|---|
| পুৱা | ১০.৩০ | বজা | : | ভাৱীগান প্ৰদৰ্শন |
| | ১১.৩০ | বজা | : | আলোচনা সত্ৰ |
| | | সঞ্চালক | : | ড' দিপ্তী ফুকন পাটগিৰি, কলাগুৰু, গুৱাহাটী বিশ্ববিদ্যালয় |
| | বিষয় বিশেষজ্ঞ | | : | মুকুল ৰাভা, সাংস্কৃতিক বিষয়া, দুধনৈ সাংস্কৃতিক কেন্দ্ৰ |
| | | | | প্ৰকাশ ৰাভা, সভাপতি, সদৌ ৰাভা কৃষ্টি সন্মিলন |
| | | পৰ্যবেক্ষক | : | অবিনাশ শৰ্মা, প্ৰাক্তন উপ-সঞ্চালক, সাংস্কৃতিক সঞ্চালকালয়, অসম চৰকাৰ |
| | | | : | ড° এম. গোপাল সিংহ, মুৰব্বী অধ্যাপক, ভূগোল বিভাগ, বিকালী মহাবিদ্যালয় |
| | | | : | হিতেশ ৰায়, প্ৰধান শিক্ষক, ধূপধৰা প্ৰাথমিক বিদ্যালয় |

**১৭ ভাদ, ১৪২২ ভাস্কৰাব্দ (৪ ছেপ্টেম্বৰ, ২০১৫ খ্ৰীঃ), শুকুৰবাৰ**

| | | | | |
|---|---|---|---|---|
| পুৱা | ১০.৩০ | বজা | : | ভাৱীগান প্ৰদৰ্শন |
| দুপৰীয়া | ১.৩০ | বজা | : | আলোচনা সত্ৰ |
| | | সঞ্চালক | : | ড° অনিল বড়ো, মুৰব্বী অধ্যাপক, লোক-সংস্কৃতি গৱেষণা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় |
| | | বিষয় বিশেষজ্ঞ | : | ড° দ্বিজেন্দ্ৰ নাথ ভকত, অৱসৰপ্ৰাপ্ত অধ্যাপক, চিলাৰায় মহাবিদ্যালয় |
| | | | | ড° উপেন্দ্ৰজিৎ শৰ্মা, সহযোগী অধ্যাপক, ভোলানাথ মহাবিদ্যালয়, ধুবুৰী |
| | | পৰ্যবেক্ষক | : | ড° ইব্ৰাত আলী, বিষয় শিক্ষক, জলেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় |
| | | | | দিলীপ শৰ্মা, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিল্পী |

১৮ ভাদ, ১৪২২ ভাস্কবাব্দ (৫ ছেপ্টেম্বৰ, ২০১৫ খ্ৰীঃ), শনিবাৰ ঃ আলোচনা সত্ৰ

| | | |
|---|---|---|
| পুৱা ১০.০০ বজাৰ পৰা ১১.৩০ বজালৈ | ঃ | ভাৱীগান প্ৰদৰ্শন |
| দুপৰীয়া ১১.৩০ বজা | ঃ | কাৰিকৰী সত্ৰ —"অসমৰ লোকনাট্য ঃ পৰম্পৰা আৰু ঐতিহ্য (ভাৱীগানৰ বিশেষ উল্লিখনসহ)" |
| বিষয় বস্তু উপস্থাপক | ঃ | ড° প্ৰবীণ চন্দ্ৰ দাস, অৱসৰপ্ৰাপ্ত সচিব তথা অধ্যাপক,<br>লোক-সংস্কৃতি গৱেষণা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় |
| বিশেষজ্ঞ তথা পৰ্যবেক্ষকসকল | ঃ | শাৰদী শইকীয়া, সত্ৰীয়া নৃত্য শিল্পী তথা বিশেষজ্ঞ·<br>সংগীতশ্ৰী প্ৰভাত শৰ্মা, প্ৰখ্যাত শিল্পী তথা সংগীত বিশেষজ্ঞ<br>ড° দিলীপ কুমাৰ কলিতা, সঞ্চালক, আনন্দৰাম বৰুৱা ভাষা-সংস্কৃতি গৱেষণা প্ৰতিষ্ঠান<br>মুকুল ৰাভা, সাংস্কৃতিক বিষয়া,দুধনৈ সাংস্কৃতিক কেন্দ্ৰ·<br>বাহাৰুল ইছলাম, নাট পৰিচালক<br>শুক্ৰাচাৰ্য ৰাভা, নাট পৰিচালক<br>ড° দিলীপ ৰাজবংশী, অধ্যাপক, কটন মহাবিদ্যালয়<br>চন্দন শৰ্মা, বিশিষ্ট চিত্ৰ সমালোচক ; |
| বিয়লি ৩.০০ বজা | ঃ | সামৰণি অনুষ্ঠান |
| সভাপতি | ঃ | ড° ধ্ৰুৱজ্যোতি বৰা, সভাপতি, অসম সাহিত্য সভা |
| বিশিষ্ট অতিথি | ঃ | কুমাৰ দীপক দাস, প্ৰাক্তন সাংসদ<br>ড° প্ৰবীণ চন্দ্ৰ দাস, অৱসৰপ্ৰাপ্ত সচিব তথা অধ্যাপক·<br>টংকেশ্বৰ ৰাভা, মুখ্য কাৰ্যবাহী সদস্য, ৰাভা হাচাং স্বায়ত্ত শাসিত পৰিষদ<br>অমৰ সিং কোচ, সভাপতি, নিখিল ৰাভা সাহিত্য সভা<br>ক্ষীবোদ খাকলাৰী, সভাপতি, বিকালী মহাবিদ্যালয় পৰিচালনা সমিতি |

••••

অসম সাহিত্য সভা

আৰু জনজাতি অধ্যয়ন কেন্দ্ৰ, বিকালী মহাবিদ্যালয়ৰ যৌথ উদ্যোগত

# ৰাষ্ট্ৰীয় কৰ্মশালা আৰু আলোচনা সত্ৰ

কাৰিকৰী সত্ৰ ঃ মূল বিষয়- অসমৰ লোকনাট্য পৰম্পৰা আৰু ঐতিহ্য (ভাৰীগানৰ বিশেষ উল্লিখনসহঃ)

## এন. বি. (নিউ বিল্ডিং) ৰুম নম্বৰ-১

সঞ্চালক ঃ ড° দিলীপ কুমাৰ কলিতা, সঞ্চালক, আনন্দৰাম বৰুৱা ভাষা-সংস্কৃতি গৱেষণা প্ৰতিষ্ঠান।

সত্ৰ সমন্বয়ক ঃ অধ্যাপক জয়নুদ্দিন ইছলাম

প্ৰতিবেদক ঃ অধ্যাপিকা ৰাজলক্ষ্মী হাজৰিকা
অধ্যাপিকা ড° বন্তি বৰদলৈ

**অংশগ্ৰহণকাৰী গৱেষকসকল ঃ**

- গোৱালপৰীয়া লোকনাট্যানুষ্ঠানত খাৰাতাল গানঃ এটি চমু আলোচনা
  ড° তেজস্বিনী নাথ
- ভাৰীগান আৰু খুলীয়া ভাউৰীয়াঃ এটি আলোচনা
  তৰুলতা ডেকা
- ভাৰীগানত ব্যৱহৃত মুখা ঃ এক অধ্যয়ন
  ৰুকুনুদ্দিন আহমেদ
- দক্ষিণ কামৰূপ অঞ্চলত প্ৰচলিত ভাৰীগানৰ এক সমীক্ষাত্মক অধ্যয়ন
  তুনুকা ৰাভা
- ভাৰীগান আৰু খুলীয়া ভাউৰীয়াৰ এটি পৰ্যালোচনা
  ৰীনা দাস, দীপ্তি দাস
- গোৱালপৰীয়া লোকনাট্যানুষ্ঠান ভাৰীগানৰ এক চমু পৰ্য্যালোচনা
  হীৰামণি দেৱী, অনুস্মিতা বায়ন

- ভাৰীগান আৰু কুশানগানৰ তুলনামূলক অধ্যয়ন
  মৌচুমী ৰাভা, অদিতি ৰায়
- ভাৰীগান আৰু খুলীয়া ভাউৰীয়াৰ পৰম্পৰা আৰু পৰিৱৰ্তন ঃ এক সম্যক আলোচনা
  অংকুৰ জ্যোতি তালুকদাৰ, নাৰায়ণ সূত্ৰধৰ
- গোৱালপাৰা জিলাৰ পাতি ৰাভা সমাজৰ ভাৰী গান ঃ এটি চমু আলোচনা
  বুদ্ধিৰাজ বড়ো, দীলিপ হাজৰিকা
- পৰিৱেশ্য কলা ভাৰীগানৰ ঐতিহ্য আৰু পৰিৱৰ্তন
  স্নিগ্ধা কটকী
- BHARIGAAN : ITS ORIGIN AND DEVELOPMENT IN ASSAM
  Dr. M.Gopal Singha
- Socio-cultural Impact of Puppetry on Assam
  Binita Devi, Simanta Sarma
- Folk Media as a Method of Message for Societal Advancement in Assam, India
  Guptajit Pathak, Rupak Das
- FOLK THEATERE OF THE BODOS : A STUDY
  Mamani Daimary
- SOCIAL FUNCTION OF ' EKTHENGIA' A SEMI-DRAMATIC PERFORMANCE IN BORO
  Lakshmi Basumatary, Tarun Narzary , Raje Brahma
- A preliminary appraisal of two folk plays of Goalpara region: Bhaarigaan and Kusangan
  HaripriyaSarma, Utpala Das


●●●●

অসম সাহিত্য সভা

আৰু জনজাতি অধ্যয়ন কেন্দ্ৰ, বিকালী মহাবিদ্যালয়ৰ যৌথ উদ্যোগত

## ৰাষ্ট্ৰীয় কৰ্মশালা আৰু আলোচনা সত্ৰ

কাৰিকৰী সত্ৰঃ মূল বিষয়- অসমৰ লোকনাট্য পৰম্পৰা আৰু ঐতিহ্য (ভাৰীগানৰ বিশেষ উল্লিখনসহঃ)

## আলোচনা সভাগৃহ

সঞ্চালক ঃ ড° প্ৰবীন চন্দ্ৰ দাস, অৱসৰপ্ৰাপ্ত সচিব তথা অধ্যাপক,
লোক-সংস্কৃতি গৱেষণা বিভাগ, গুৱাহাটী বিশ্বাবিদ্যালয়

সত্ৰ সমন্বয়ক ঃ অধ্যাপক ড° আব্দুল হক আহমেদ

প্ৰতিবেদক ঃ অধ্যাপিকা ড° অবলা ভূএগ্ৰা
অধ্যাপক ড° কুলেন্দু নাথ

### অংশগ্ৰহণকাৰী গৱেষকসকল ঃ

- ভাৰীগানৰ সমধৰ্মী অনুষ্ঠান দৰঙৰ খুলীয়া ভাউৰীয়াঃ গৰৈমাৰা কৃষক খুলীয়া ভাওনাৰ উল্লিখনসহ
  বিজয়া ডেকা
- ভাৰীগান আৰু কুশান গানৰ তুলনামূলক অধ্যয়ন
  জয়শ্ৰী কলিতা
- ভাৰীগান আৰু কুশান গান ঃ এটি তুলনামূলক আলোচনা
  কৰবী খেৰকটাৰী বড়ো
- ভাৰীগান আৰু লোকবিশ্বাস ঃ এটি অধ্যয়ন
  আবু আয়ুব আহমেদ
- অসমৰ লোক নাট্যানুষ্ঠানত -ভাৰীগানঃ এটি অধ্যয়ন
  তৰালী বড়ো
- অসমৰ দুই লোক নাট্যানুষ্ঠান ভাৰীগান, খুলীয়া ভাউৰীয়া আৰু এই দুই নাট্যানুষ্ঠানৰ পৰিৱৰ্তন ঃ এক সমীক্ষা
  নৱনীতা গোস্বামী
- “ভাৰীগান আৰু কুশান গান- গোৱালপাৰা লোক সংস্কৃতিৰ দুটা অনবদ্য লোক নাট্যানুষ্ঠান”
  বুলমণি কলিতা

- অসমৰ পশ্চিম অঞ্চলৰ প্ৰচলিত লোক-নাট্যানুষ্ঠান 'কুশান গান' ঃ এটি অধ্যয়ন
  গোবিন্দ বৈশ্য , ড° ডিম্বেশ্বৰ দাস
- অসমীয়া সমাজত প্ৰচলিত লোক-নাট্যানুষ্ঠান ঃ এক আলোচনা
  মৃনাল চন্দ্ৰ বৈশ্য , ৰ'দালি সপোন বৰগোহাঞি
- লোকনাট্যধৰ্মী অনুষ্ঠান ভাৱীগান আৰু খুলীয়া ভাউৰীয়া ঃ এটি অধ্যয়ন
  পুৰবী বড়ো মনোমতী বড়ো
- গোৱালপাৰা জিলাৰ লোকনাট্যৰ এক সমীক্ষাত্মক অধ্যয়নঃ ভাৰীগান আৰু কুশান গানৰ উল্লিখনসহ
  ড° কুলেন্দু নাথ , ড° স্নিগ্ধা দাস নাথ
- নামনি অসমৰ লোক নাট্যানুষ্ঠান কোৰ্কা ঢুলীয়া (বস্তাপাৰ্টী) ঃ ইয়াত প্ৰতিফলিত লোক সমাজ আৰু সংস্কৃতি
  বুলুমণি ৰাভা
- অসমৰ লোকনাট্যানুষ্ঠান 'ভাৰীগান'ঃ পৰম্পৰা আৰু পৰিবৰ্তন
  আব্দলু মজিদ সেখ , আবু শ্বামা আহমেদ
- অসমৰ লোকনাট্য অনুষ্ঠান ভাৰীগান আৰু পুতলা নাচৰ এক তুলনামূলক আলোচনা
  ড° চৈয়দা নচিফা ইছলাম ৰাজবংশী
- গোৱালপাৰাৰ লোক নাট্যানুষ্ঠান ভাৰীগানঃ এটি আলোকপাত
  প্ৰণীতা মহন্ত , দীপিকা ৰাভা
- ভাৰীগানৰ উদ্ভৱ আৰু বিকাশ এক বিশ্লেষণাত্মক অধ্যয়ন
  কণমণি কলিতা, নিৰুপা ৰায

●●●●●●